# অনুভৱ তুলসীৰ কবিতা

Issue: Vol. IV, No. 2, August-October, 2025

**গোৰা আয়ুস গোৰা**

আপোনালোকে দুগুণ উদ্বাহেৰে হাতচাপৰি দিয়ক
আপোনালোকৰ হেঁপাহ তিনিগুণ বঢ়াই
নীৰৱে শুনিবলৈ সাজু হওক
এক দুই তিনি চাৰি চাৰি তিনি দুই এক
আমাৰ আগলৈ এতিয়া আহিব আয়ুস্মান
আয়ুস্মান শইকীয়া বিশেষভাৱে সক্ষম এটি শিশু
এয়া তেওঁ মাইকৰ সমুখত
ধ্ৰুপদী সাঁচৰ সুগঢ়ী মুখ
এয়া তেওঁ লগাইছে শুদ্ধ স্বৰ
স্বৰগমৰ বাটেৰে আগুৱাইছে
গোৰা গোৰা আয়ুস সুৰটি গোৰা
দিশে দিশে কলতানৰ গন্ধ যোৰা
আপোনালোকে তাক আগুৰি নধৰিব
গান আহিবলৈ বাট অকণ দিয়ক
আকাশভৰা ব্ৰহ্মাণ্ডৰ গান
শিশু আয়ুস্মানে গোৰা গান
মাইকে তুলি ধৰিব পৰা নাই
শ্ৰোতাৰ ঔৎসুক্য কমা নাই
সেয়া আয়ুসৰ ওঁঠ ঠিকেই কঁপিছে
আয়ুসে গানেই গাইছে নিৰ্ঘাত
তেওঁ নিজৰ গান নিজ কণ্ঠেৰে
নিজক শুনাবৰ বাবেহে গাইছে
মাইকটোৱে মিছাই উচ্পিচাই আছে
বিফলতাৰ দুখত দুখী মাইক নামৰ
যন্ত্ৰটোৰ মুখলৈ চাব নোৱৰা অৱস্থা

**হেলেনা**

ট্ৰয় নগৰৰ একো নাই বাকী
কাঠৰ ঘোঁৰাটো উছনৰ সাক্ষী
ইয়ালৈ আহিছ কবি
সুন্দৰী হেলেনাৰ
ল’বি খবৰ
থান্দি কবৰ
ল’বি হাড়
বিফল হ’বি